# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - - - -**

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ডিব্ৰুগড়ত অসম মন্ত্ৰীসভাৰ বৈঠক।

২। ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে তৎপৰতা বৃদ্ধি।

৩। ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা সাংসদ অমৃত পাল সিঙৰ সাতজন সহযোগীক ডিব্ৰুগড়ৰ পৰা পঞ্জাৱলৈ স্থানান্তৰ।

৪। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কাইলৈ হ'বলগীয়া গণিত বিষয়ৰ পৰীক্ষা স্থগিত। **আৰু**

৫। ৰিয়ান পৰাগক আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ৰাজস্থান ৰয়েলছৰ প্ৰথম তিনিখন খেলৰ অধিনায়কৰ দায়িত্ব।

ooooo

নামৰূপৰ ইউৰিয়া প্ৰকল্পত অসম চৰকাৰৰ অংশীদাৰিত্ব ৪০ শতাংশ কৰাত অসম মন্ত্ৰীসভাই অনুমোদন দিছে। অহা ছেপ্তেম্বৰ-অক্টোবৰ মাহত এই প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আমন্ত্ৰণ জনাবলৈকো অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। অৰুণাচল প্ৰদেশত মৰাণ জনগোষ্ঠীৰ লোকসকলক স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ প্ৰদানৰ বাবে অসম চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনত কৰ্মৰত নাৰ্চসকলৰ বয়সৰ উৰ্দ্ধসীমাৰ ব্যৱস্থা বাতিল কৰিবলৈকো অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। এইবাৰৰ ৰাজ্যিক বাজেটত প্ৰস্তাৱ কৰা ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানক ডিগ্ৰী প্ৰতিষ্ঠানলৈ উন্নীত কৰাৰ প্ৰস্তাৱতো মন্ত্ৰীসভাই অনুমোদন জনায়। আজিৰ বৈঠকে গোৱালপাৰা অসামৰিক চিকিৎসালয়খনক ছহীদ নিধানুৰাম ৰাজবংশী চিকিৎসালয় হিচাপে নামকৰণ কৰিবলৈও সিদ্ধান্ত লয়। মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সিদ্ধান্তসমূহৰ বিষয়ে প্ৰকাশ কৰে।

ooooo

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত ৩৩ টা সমষ্টিত মুঠ ৯৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। নিৰ্বাচন হ'বলগীয়া দুখন জিলা কামৰূপ আৰু গোৱালপাৰাৰ ৩৬টা সমষ্টিৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। ইয়াৰে তিনিগৰাকী প্ৰাৰ্থী ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। কামৰূপ জিলাৰ অন্তৰ্গত হাঁহিম সমষ্টিত ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী সোণাৰাম ৰাভা আৰু খলিহাকোঠ পৰিষদীয় সমষ্টিত নগৰমল স্বৰ্গীয়াৰী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰা ৫৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত জয়ৰামকুছি পৰিষদীয় সমষ্টিৰ

প্ৰাৰ্থী প্ৰেমাজুলি ৰাভা বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। পৰিষদৰ এই নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিয়ে ৩০টাত আৰু বিজেপিয়ে ৬টা সমষ্টিত প্ৰাৰ্থিত্ব দিছে।

২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিন- ২ এপ্ৰিলত পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহত সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, বেংক, ব্যৱসায়িক প্ৰতিষ্ঠান, চাহ বাগিচা ইত্যাদি বন্ধ থাকিব। গোৱালপাৰা জিলা আয়ুক্তই স্বচ্ছ আৰু নিকা নিৰ্বাচনৰ বাবে নিৰ্বাচনী বিষয়াসকলক তিনিটা পৰ্যায়ত প্ৰশিক্ষণ দিয়া হ'ব বুলি জানিবলৈ দিছে। নিৰ্বাচন সন্দৰ্ভত জিলা প্ৰশাসনে আজি জিলা আয়ুক্তৰ সভাকক্ষত সকলো প্ৰাৰ্থীৰ লগত মিলিত হয়। নিৰ্বাচনী পৰ্যবেক্ষৰ ৰঞ্জীত কুমাৰ লস্কৰ আৰু ত্ৰিপুৰেন্দ্ৰ পাটৰে নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলে মানি চলিবলগীয়া আচৰণ বিধি সম্পৰ্কে প্ৰাৰ্থীসকলক অৱগত কৰে। সভাখনত গোৱালপাৰা আৰক্ষীৰ বিষয়াববীয়াসকলৰ লগতে গোৱালপাৰা পশ্চিম সমজিলাৰ প্ৰশাসনীয় বিষয়াসকলেও উপস্থিত থাকে।

কামৰূপ জিলাতো ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনক লৈ জিলা আয়ুক্তই নিৰ্বাচনী প্ৰশিক্ষণৰ আয়োজন কৰিছে।

ooooo

ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা খালিস্তানী নেতা তথা সাংসদ অমৃত পাল সিঙৰ সাতজন সহযোগীক আজি ডিব্ৰুগড়ৰ পৰা পঞ্জাৱলৈ স্থানান্তৰ কৰা হৈছে। যোৱা ১৬ মাৰ্চৰ পৰা ডিব্ৰুগড়ত বাহৰ পাতি থকা ২৫ জনীয়া পঞ্জাৱ আৰক্ষীৰ দলে তেওঁলোকক আজি আইনী প্ৰক্ৰিয়া অনুসৰি পঞ্জাৱলৈ লৈ যায়। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ হোৱা সিং আৰু তেওঁৰ ৯ জন সহযোগীৰ ভিতৰত ৭ জনৰ ওপৰত বলৱৎ থকা এই আইন শিথিল কৰাৰ বাবে পঞ্জাৱ চৰকাৰে সিদ্ধান্ত লৈছিল। আজি পুৱাৰ ভাগত নেতাগৰাকীৰ সহযোগী কুলৱন্ত সিং ধলিৱাল, হৰজিত সিং, গুৰিন্দৰ পাল সিং, বসন্ত সিং, ভগৱন্ত সিং আৰু দলজিত সিং কালচিসহ মুঠ ৭ জন বন্দীক মুকলি কৰি দিয়াৰ পাছত পঞ্জাৱ আৰক্ষীয়ে আনুষ্ঠানিকতা সম্পন্ন কৰি পঞ্জাৱলৈ লৈ যায়। অৱশ্যে অমৃত পাল সিং, পাপল প্ৰীত সিং আৰু ৰবীন্দৰ সিং জোহাল  ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰতে বন্দী হৈ থাকিব। তেওঁলোকৰ জিম্মাৰ ম্যাদ অহা মাহত শেষ হ'ব বুলি জানিব পৰা গৈছে যদিও আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা নাই। এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ লগে লগে তেওঁলোককো স্থানান্তৰ কৰা হ'ব। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত ডিব্ৰুগড় কাৰাগাৰত তেওঁলোকৰ বন্দিত্বৰ ম্যাদ উকলি যোৱাৰ পাছত পঞ্জাৱত থানা আক্ৰমণৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে পুনৰ গ্ৰেপ্তাৰ কৰিছিল।

ooooo

স্বচ্ছতা অভিযানক কাৰ্যকৰীকৰণৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা বজালীৰ বেলনা গাঁৱলৈ ২০২৪ বৰ্ষৰ সংস্কাৰ ধৱনি স্বচ্ছতা বঁটা আগবঢ়োৱা হৈছে। কৃষিজীৱি গাঁওবাসীয়ে কঠোৰ পৰিশ্ৰম আৰু নিয়মানুৱৰ্তীতাৰ জৰিয়তে অতি কম দিনৰ ভিতৰত প্লাষ্টিক বৰ্জনৰ দৰে পদক্ষেপ গ্ৰহণ কৰি পৰিস্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত ৰাজ্যজুৰি আদৰ্শ দাঙি ধৰিছে। ২০১৯ চনত ৰাজ্যৰ তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আনুষ্ঠানিকভাৱে গাঁওখনক অসমৰ প্ৰথমখন প্লাষ্টিকমুক্ত গাঁও হিচাপে ঘোষণা কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও **মন কী বাত** অনুষ্ঠানত বেলনা গাঁওবাসীয়ে পৰিস্কাৰ-পৰিচ্ছন্নতাৰ কাৰণে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ

কৰে। অহা ২৩ মাৰ্চত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত হ'বলগীয়া এটা অনুষ্ঠানত গাঁওখনলৈ সংস্কাৰ ধবনি স্বচ্ছতা বঁটা আগবঢ়োৱা হ'ব।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কাইলৈ পিছবেলা হ'বলগীয়া গণিত বিষয়ৰ পৰীক্ষা অনিবাৰ্য কাৰণবশত পিছুৱাই দিয়া হৈছে। শিক্ষা পৰিষদৰ দ্বিতীয় মণ্ডলৰ পৰীক্ষা নিয়ন্ত্ৰকে জনোৱা মতে এই বিষয়ৰ পৰীক্ষাৰ দিন পাছত ঘোষণা কৰা হ'ব। পৰিষদৰ পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন কুমাৰ দাসে আমাৰ বিশেষ সংবাদদাতাক জনোৱা মতে এটা পৰীক্ষা কেন্দ্ৰত প্ৰশ্নকাকত ফাদিল হোৱাৰ বিষয়ে সম্ভেদ পোৱাৰ পৰিপ্ৰেক্ষিতত জৰুৰীভাৱে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সকলোবোৰ পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক এই পৰীক্ষাৰ বাবে মনোনীত মূল মহাবিদ্যালয়ত আজিৰ ভিতৰত গণিত বিষয়ৰ প্ৰশ্নকাকতৰ টোপোলাসমূহ জমা দিবলৈ কঠোৰ নিৰ্দেশ দিয়া হৈছে বুলিও পৰীক্ষা নিয়ন্ত্ৰকগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

বৰপেটা জিলা পৰীক্ষা বোৰ্ডৰ অধীনৰ নৱম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ আজি হ'বলগীয়া ইংৰাজী কাকতৰ পৰীক্ষা প্ৰশ্নকাকত ফাদিল হোৱাৰ পৰিপ্ৰেক্ষিতত বাতিল কৰা হয়। আমাৰ বৰপেটাৰ সংবাদদাতাই জনোৱা মতে যোৱা নিশা নৱম শ্ৰেণীৰ ইংৰাজীৰ কাকত ফাদিল হোৱাৰ বিষয়ে বাতৰি বিয়পি পৰাৰ পাছত জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ে এই প্ৰশ্নকাকতৰ সত্যতা মিলাই চায় আৰু মিল ধৰা পেলায়। ইয়াৰ পৰিপ্ৰেক্ষিতত আজিৰ এই কাকতৰ পৰীক্ষা বাতিল কৰা হয়। ঘটনা সম্পৰ্কত বৰপেটা সদৰ থানাত এখন এজাহাৰ দাখিল কৰা হৈছে।

০০০০০

আজি বিশ্ব সাধু কোৱা দিৱস। শিশুৰ সাধু শুনা আৰু সাধু কোৱাৰ অভ্যাস গঢ়ি তুলি এটা সুস্থ সামাজিক বাতাবৰণ সৃষ্টিৰ লক্ষ্যৰে ১৯৯১ চনৰ ২০ মাৰ্চত ছুইডেনত এই দিৱসৰ সূচনা হৈছিল। পৰৱৰ্তী সময়ত ই বিশ্ব সাধু কোৱা দিৱস হিচাপে স্বীকৃতি লাভ কৰে। আজিৰ দিনটোত বিশ্বৰ বিভিন্ন প্ৰান্তত ভিন ভিন ভাষাত প্ৰচলিত সাধু আৰু লোককথাসমূহ সংৰক্ষণৰ কাৰণে শুনা আৰু কোৱাৰ কাৰ্যসূচী আয়োজন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্ততো অসমীয়া লোককৃষ্টিৰ অভিন্ন অংগ সাধু আৰু লোককথাসমূহৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে বিভিন্ন মাধ্যমৰ সহায়ত পৰিৱেশনৰ ব্যৱস্থা কৰা হয়। আজি তেজপুৰতো তেজপুৰ সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ উদ্যোগত সাধু শুনক আহক শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত শোণিতপুৰ জিলা আয়ুক্ত অংকুৰ ভৰালীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি এনেদৰে কয়-

**বাইট (অংকুৰ ভৰালী)**

০০০০০

জলবায়ু পৰিৱৰ্তন আৰু শক্তি সংৰক্ষণৰ সজাগতা সৃষ্টিৰ লক্ষ্যৰে ধৰিত্ৰী ঘণ্টা কাৰ্যসূচীৰ সমৰ্থনত পৰহিলৈ অৰ্থাৎ শনিবাৰে নিশা চাৰে ৮ বজাৰ পৰা চাৰে ৯ বজালৈ ৰাজ্যখনৰ জনসাধাৰণক অনাৱশ্যকীয় সকলো বিদ্যুৎচাকি বন্ধ কৰি ৰাখিবলৈ ৰাজ্য চৰকাৰে আহ্বান জনাইছে। World Wide Fund for Nature চমুকৈ WWF INDIA নামৰ সংস্থাৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচী সফল কৰাৰ বাবে চৰকাৰে এই এঘণ্টা ব্যক্তিগত ব্যৱসায়িক আৰু অন্যান্য সংস্থাসমূহক পৰিবেশ বহনক্ষমতা ৰক্ষাৰ বাবে প্ৰতিকীভাৱে এই কাৰ্য কৰিবলৈ আহ্বান জনাইছে। এনে ধৰণৰ সৰু অথচ গুৰুত্বপূৰ্ণ পদক্ষেপে জলবায়ু

পৰিৱৰ্তন ৰোধ আৰু শক্তি সংৰক্ষণৰ অভ্যাস গঢ় দিয়াৰ ক্ষেত্ৰত জনসাধাৰণক সহায় কৰিব বুলিও ৰাজ্য চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্য চৰকাৰে অসমৰ চহকী সংস্কৃতি আৰু ঐতিহ্যৰ সংৰক্ষণৰ উদ্দেশ্যে প্ৰণয়ন কৰা বিস্তাৰিত অসম দৰ্শন আঁচনিৰ অধীনত ২০২৫ বৰ্ষৰ বাজেটত ৪২০ কোটি টকা আবণ্টন দিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই আঁচনিৰ অধীনত ৰাজ্যৰ ২৫ হাজাৰ নামঘৰক দুটা কিস্তিত ৩ লাখ টকাকৈ প্ৰদান কৰা হ'ব। অহা ৩১ মাৰ্চৰ পূৰ্বে প্ৰথম কিস্তিৰ ধন মোকলাই দিয়া হ'ব।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত পৰিবেশ প্ৰদূষণ - নতুন ভাবুকি শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিবেশিকা অৰুণিমা গোস্বামীয়ে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত মেডিচিন বিভাগৰ বিশিষ্টা চিকিৎসক ডাঃ ৰুণজুন টেৰণপী আৰু পৰিবেশ কৰ্মী মুবিনা আখতাৰে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ফেচবুক পেজ airnewsghy আৰু Youtube Channel airnewsGuwahati-যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০

ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালে মেডিকেল কলেজ ৰিছাৰ্চ কানেক্ট নামৰ সংস্থাৰ দ্বাৰা চলোৱা গৱেষণাত একেৰাহে দ্বিতীয় বছৰৰ বাবে চিকিৎসা গৱেষণাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী মহাবিদ্যালয় হিচাপে সন্মানিত হৈছে। আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত চিকিৎসা মহাবিদ্যালয়খনক এই সন্মান প্ৰদান কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে এই সন্মান গ্ৰহণ কৰে। অনুষ্ঠানত নীতি আয়োগৰ সদস্য, প্ৰখ্যাত চিকিৎসক ডাঃ ভি কে পল, ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ অধ্যক্ষ ডাঃ বি এন গংগাধৰ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্মান লাভ কৰাৰ বাবে চিকিৎসা প্ৰতিষ্ঠানটোৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

ভাৰতীয় উদ্যোগ মহাসংঘৰ যুৱ গোট ইয়ং ইণ্ডিয়ানছ গুৱাহাটীৰ সৈতে আজি কামৰূপ মহানগৰ জিলাৰ ৩২ খন চৰকাৰী আৰু ব্যক্তিগত খণ্ড বিদ্যালয়ৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে এই চুক্তিত স্বাক্ষৰ কৰা হয়। এই অনুষ্ঠানত অংশ লৈ অসম ৰাজ্যিক বিদ্যালয় পৰিষদৰ অধ্যক্ষ ৰমেশ শ্বাহ জৈনে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাগত দিশৰ লগতে উদ্যমিতাৰ দিশত আগবঢ়াই লৈ যোৱাৰ লক্ষ্যৰে এই চুক্তি স্বাক্ষৰ কৰা হৈছে বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে ইয়ং ইণ্ডিয়ানছ গুৱাহাটীয়ে শিশু সুৰক্ষা, শিশুক যৌন নিৰ্যাতনৰ বিৰুদ্ধে সজাগতা সৃষ্টি, স্বাস্থ্যজনিত বিষয়ত সজাগতা সৃষ্টিৰ বাবে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। আজি চুক্তি স্বাক্ষৰ অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰী আৰু মৰিগাঁৱৰ বিদ্যালয় পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াও উপস্থিত থাকে।

০০০০০

গুৱাহাটীৰ চানমাৰি আৰক্ষীয়ে অনলাইন গেমৰ জৰিয়তে অবৈধভাৱে ধন হৰলুকি কৰা এটা দুষ্টচক্ৰৰ তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। গোপন সূত্ৰৰ পম খেদি আৰক্ষীয়ে প্ৰথমে গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা পথৰ পৰা ইনজামুল হক নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰে। তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিক আৰক্ষীয়ে গড়চুকৰ এখন হোটেলত আশ্ৰয় লৈ থকা ছত্তিশগড়ৰ ছালু ৰত্ন প্ৰকাশ আৰু মুৰলীধৰ সুমিথ পিল্লাই নামৰ আন দুজন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ দলটোৱে ধৃত লোককেইজনৰ পৰা সাতখন ডেবিট কাৰ্ড, দুখন চেক বুক আৰু কেইবাখনো ছিম কাৰ্ডকে ধৰি ভালেসংখ্যক আপত্তিজনক নথিপত্ৰ জব্দ কৰে। এই প্ৰৱঞ্চক চক্ৰটোৱে অবৈধ অনলাইন গেমৰ জৰিয়তে আন লোকৰ বেংক একাউণ্ট ব্যৱহাৰ কৰি কোটি কোটি টকা সৰবৰাহৰ ষড়যন্ত্ৰ ৰচিছিল বুলি আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ গুৱাহাটীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি সমষ্টিত ২১টা অংগনৱাড়ী কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ধেমাজি সদৰত অৱস্থিত প্ৰায় ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মিত বিটি ক'লনিৰ অংগনৱাড়ী কেন্দ্ৰটো উদ্বোধন কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে অংগনৱাড়ী কেন্দ্ৰ মাত্ৰ খেলা-ধূলাৰ ক্ষেত্ৰ নহয় বৰঞ্চ ই শিক্ষাৰ কেন্দ্ৰ। কেন্দ্ৰসমূহত কন-কন শিশুসকলৰ স্বাস্থ্য আৰু পুষ্টিৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে ধেমাজি আৰু বৰদলনি উন্নয়ন খণ্ডত নতুনকৈ নিৰ্মাণ হ'বলগীয়া ৪০টা অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে।

০০০০০

ক্ৰিকেটাৰ ৰিয়ান পৰাগে আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ৰাজস্থান ৰয়েলছ দলৰ প্ৰথম তিনিখন খেলত নেতৃত্ব বহন কৰিব বুলি আজি আনুষ্ঠানিকভাৱে ঘোষণা কৰা হৈছে। এই অনুসৰি ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অহা ২৩ মাৰ্চত, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে ২৬ মাৰ্চত আৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৩০ মাৰ্চত হ'বলগীয়া খেলকেইখনত ৰিয়ানে অধিনায়কৰ দায়িত্ব পালন কৰিব।

উল্লেখযোগ্য যে, আই পি এলৰ অষ্টাদশ সংস্কৰণৰ প্ৰতিযোগিতা অহা ২২ মাৰ্চত আৰম্ভ হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন খেলত যোৱাবাৰৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছ, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

যোৰহাট জিলাৰ মৰিয়নি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ শিশিৰ কুমাৰ বৰঠাকুৰৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। যোৱা কিছুদিন ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা বৰঠাকুৰৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৫ বছৰ। প্ৰাক্তন অধ্যক্ষগৰাকীৰ মৃত্যুত মৰিয়নি মহাবিদ্যালয়ৰ সমূহ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে শোক প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত